জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৩৭/২০২১

## ভিডিঅ' কনফাৰেন্সযোগে ৰাজ্যৰ জিলা উপায়ুক্তৰে বাৰ্তালাপ কৰিলে মুখ্যমন্ত্ৰীয়ে

# ক'ভিড প্ৰতিষেধক প্ৰদানৰ দিশত ক্ষিপ্ৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ উপায়ুক্তসকলক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

## ৰাজ্যৰ বান পৰিস্থিতি সম্পৰ্কত মুখ্যমন্ত্ৰীৰ পৰ্যালোচনা

**দিছপুৰ, ২৯ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ভিডিঅ' কনফাৰেন্সযোগে ৰাজ্যৰ জিলাসমূহৰ উপায়ুক্তসকলৰ সৈতে বিভিন্ন বিষয় আলোচনা কৰে। জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ সভাগৃহৰ পৰা ভিডিঅ' কনফাৰেন্সযোগে যোৱা ২২ আৰু ২৩ আগষ্টত ডিফুত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত উপায়ুক্ত সন্মিলনত গ্ৰহণ কৰা লক্ষ্য নিৰ্দ্ধাৰিত বিষয়সমূহ পৰ্যালোচনা কৰা হয়। মুখ্যমন্ত্ৰীয়ে উপায়ুক্তসকলক বিভিন্ন বিভাগৰ সৈতে আলোচনা কৰি ইয়াৰ ৰূপায়ণৰ বাবে তৎকালীনভাৱে পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে।

আজিৰ এই ভিডিঅ' কনফাৰেন্সৰ সময়ত ক'ভিড টীকাকৰণৰ বিষয়টো বিতংভাৱে আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীয়ে উপায়ুক্তসকলক ক'ভিড ভেকচিন প্ৰদানৰ দিশত ক্ষিপ্ৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। এই ক্ষেত্ৰত স্বাস্থ্য বিভাগৰ সৈতে আলোচনা কৰি প্ৰয়োজনীয় পদক্ষেপ ল'বলৈ তেওঁ কয়। আজিৰ এই বৈঠকতে ৰাজ্যৰ বান পৰিস্থিতি সম্পৰ্কত মুখ্যমন্ত্ৰীয়ে উপায়ুক্তসকলৰ সৈতে আলোচনা কৰে। মুখ্যমন্ত্ৰীয়ে নদীসমূহৰ পানী বাঢ়ি অহাৰ বাবে সম্ভাব্য বানপানীৰ প্ৰতি লক্ষ্য ৰাখি সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ উপায়ুক্তসকলক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে বান ক্ষতিগ্ৰস্ত ৰাইজক উদ্ধাৰ আৰু সাহায্য অভিযান তৎপৰতাৰে কৰাৰ বাবে নিৰ্দেশ দিয়ে।

আজিৰ এই ভিডিঅ' কনফাৰেন্সৰ সময়ত মুখ্য সচিব জিষ্ণু বৰুৱা, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা প্ৰমুখ্যে শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**পুঃডেঃ**
**২৯/০৮/২০২১**